# India-Seychelles High Level Virtual Event (April 8, 2021)

April 07, 2021

# ভাৰত-ছেশ্বেলছৰ উচ্চস্তৰীয় ভাৰ্চুৱেল অনুষ্ঠান (৮ এপ্রিল ২০২১)

**এপ্রিল 07, 2021**

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে ছেশ্বেলছত ভাৰতীয় প্ৰকল্প মুকলি কৰিবলৈ ৮ এপ্ৰিল ২০২১ তাৰিখে ছেশ্বেলছ গণৰাজ্যৰ ৰাষ্ট্ৰপতি ৱাভেল ৰামকালাৱানৰ সৈতে এক উচ্চস্তৰীয় ভাৰ্চুৱেল অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

এই উচ্চস্তৰীয় পৰ্যায়ৰ বৈঠকখনত নিম্নোক্ত বিষয়সমূহ সামৰি লোৱা হ'বঃ

ক) ছেশ্বেলছত নতুন মেজিষ্ট্ৰেট ক'ৰ্ট বিল্ডিঙৰ যুটীয়াভাৱে মুকলি

খ) ছেশ্বেলছ কোষ্ট গাৰ্ডলৈ ফাষ্ট পেট্ৰ'ল ভেছেলৰ হস্তান্তৰ

গ) ১ মেগাৱাট সৌৰশক্তি প্ৰকল্পৰ হস্তান্তৰ

ঘ) ১০টা উচ্চস্তৰীয় সামাজিক বিকাশ প্ৰকল্পৰ মুকলি

এই নতুন মেজিষ্ট্ৰেটৰ ক'ৰ্ট বিল্ডিং দেশখনৰ ৰাজধানী চহৰ ভিক্টোৰিয়াত অৱস্থিত। এয়া ছিশ্বেলছত নিৰ্মিত ভাৰতৰ প্ৰথমটো গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিমূলক প্ৰকল্প।

৫০ মিটাৰৰ ফাষ্ট পেট্ৰ'ল ভেছেলখন ভাৰতৰ মেচাৰ্ছ জিআৰএছই, কলকাতাৰ নিৰ্মাণ কৰা হৈছে যি হ'ল এক আধুনিক তথা সম্পূৰ্ণ সুসজ্জিত নৌ জাহাজ।

ভূমিত অৱস্থিত ১ মেগাৱাটৰ সৌৰ শক্তিৰ প্ৰকল্পটো ছেশ্বেলছৰ ৰোমাইনভিল দ্বীপপুঞ্জত নিৰ্মাণ কৰা হৈছে। ই 'ছ'লাৰ পিভি ডেমক্ৰেটাইজেছন প্ৰকল্প'ৰ এটা অংশ।

ভাৰ্চুৱেল অনুষ্ঠানত ভাৰতৰ উচ্চায়ুক্তই ১০টা উচ্চস্তৰীয় সামাজিক বিকাশৰ প্ৰকল্প হস্তান্তৰ কৰিব।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীৰ 'সাগৰ'- ('Security and Growth for All in the Region') অভিযানত ছেশ্বেলছে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে।

**নতুন দিল্লী**
**এপ্রিল 07, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release